<u>প্ৰেছ বিজ্ঞপ্তি</u>

ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ  উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য আৰু প্ৰযুক্তি বিভাগৰ সহযোগত  দুটাকৈ অসমীয়া ফ'ণ্ট তৈয়াৰ কৰি উলিওৱা হৈছে। উক্ত ফ'ণ্ট কেইটাক যোৱাটো শতিকাৰ অসমীয়া জনপ্ৰিয় আলোচনী 'উষা' আৰু 'জোনাকী' নামেৰে নামাকৰণ কৰা হৈছে।  যোৱা ১৭-০২-২০২১ তাৰিখে  ইতিমধ্যে মাননীয় শিক্ষামন্ত্ৰী , অসম চৰকাৰৰ দ্বাৰা এই ফণ্ট কেইটা মুকলি কৰা  হৈছিল। ৰুচা অসমৰ ইউনিক'ড ফ'ণ্ট (Unicode Font) 'উষা' আৰু 'জোনাকী' কাৰ্য্যালয়ৰ Website www.assamesefont.eofficerusaassam.in ত উপলব্ধ কৰা হৈছে। উক্ত ফ'ণ্ট (Font) দুটা ডাউনল'ড (Download) কৰি ব্যৱহাৰৰ ক্ষেত্ৰত সুবিধা বা অসুবিধা সমূহ উক্ত 'Website' তে থকা মতামত 'Feedback' শিতানত জনাবলৈ অনুৰোধ জনোৱা হ'ল। উল্লেখযোগ্য যে, ৰাইজৰ  Feedback ৰ ওপৰত ভিত্তি কৰি এই ইউনিক'ড ফ'ণ্ট (Unicode Font) দুটাৰ চূড়ান্ত সংস্কৰণ সকলোৰে বাবে মুকলি কৰি দিয়া হ'ব।

স্বাক্ষৰ-   ড০ দীপক মজুমদাৰ, আই. এ. এছ.

সচিব , উচ্চ শিক্ষা বিভাগ, অসম চৰকাৰ আৰু মিছন

সঞ্চালক , ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান